# কমলা হেৰিছ ঃ তুৰুপৰ তাচ?



*কমলা হেৰিছ*

**চম্পক শৰ্মা**

আমেৰিকাৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰস্তুতিৰ খবৰ এতিয়া নতুন হৈ থকা নাই। অহা তিনি নৱেম্বৰৰ নিৰ্বাচনলৈ দেশখনৰ প্ৰধান বিৰোধী দল ডেম'ক্ৰেটিক পাৰ্টিৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে প্ৰাক্তন উপৰাষ্ট্ৰপতি জো বিডেন নিৰ্বাচিত হৈছে। বিডেনে তেওঁৰ সহযোগী অৰ্থাৎ উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰূপে বাছনি কৰিছে ভাৰতীয় মূলৰ ছিনেট সদস্য কমলা হেৰিছক। এসময়ত হেৰিছেও ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰূপে দলটোৰপৰা বাছনিত উঠিবলৈ চেষ্টা চলাইছিল যদিও পাছত তেওঁ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছিল। উল্লেখযোগ্য যে আমেৰিকাত ৰাজনৈতিক দলবোৰে নিজৰ সমৰ্থকৰ সমৰ্থনৰ আধাৰতহে ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰাৰ্থী বাছনি কৰে। তাৰ বাবে এটা দলৰ প্ৰাৰ্থিত্ব প্ৰত্যাশীসকলে প্ৰচাৰ চলোৱাৰ লগতে প্ৰচাৰৰ বাবে ধন গোটাবলগীয়াও হয়। সেই দিশত পিছ পৰি ৰোৱা বাবেই হেৰিছে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিবলগীয়া হৈছিল। কিন্তু এতিয়া কমলা হেৰিছক উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হিচাপে কৰা বাছনিয়ে আমেৰিকাৰ ৰাজনীতিলৈ যথেষ্ট পৰিৱৰ্তন অহাৰ ইংগিত বহন কৰিছে। দেশখনৰ সামগ্ৰিক ৰাজনীতিত ইয়াৰ প্ৰভাৱ পৰাটো একপ্ৰকাৰ নিশ্চিত।

হেৰিছৰ মাতৃ শ্যামলা গোপালন হৈছে ভাৰতীয়। ভাৰতীয় অসামৰিক সেৱাৰ বিষয়া পি ভি গোপালন আৰু তেওঁৰ পত্নী ৰাজমৰ কন্যা শ্যামলাই নতুন দিল্লীৰ লেডি আৰউইন কলেজত গৃহবিজ্ঞান বিষয়ত অধ্যয়ন কৰিছিল। ১৯৫৮ চনত তেওঁ কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়লৈ অধ্যয়নৰ বাবে যাত্ৰা কৰে। ১৯৬৪ চনত তেওঁ তাৰপৰাই পৰিপুষ্টি আৰু এণ্ড'ক্ৰাইন'লজি বিষয়ত পি এইচ ডি কৰে। ইতিমধ্যে তেওঁ বিশ্ববিদালয়খনত চলি থকা কৃষ্ণাংগৰ অধিকাৰ আন্দোলনতো অংশগ্ৰহণ কৰিছিল। সেই আন্দোলনৰ কাৰ্যসূচীতে তেওঁ অৰ্থনীতি বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম অধ্যয়ন কৰি থকা জামাইকান যুৱক ড'নাল্ড জে হেৰিছক লগ পায়। দুয়োৰে প্ৰেমৰ অন্তত ১৯৬৩ চনত দুয়ো বিবাহপাশত আৱদ্ধ হয়। বিবাহৰ পাছত জন্ম হয় কমলা আৰু মায়াৰ। দুয়োকে লৈ ড'নাল্ড আৰু শ্যামলা কিছুদিনৰ বাবে নতুনকৈ স্বাধীনতা পোৱা দেশ জাম্বিয়ালৈয়ো গৈছিল। সেই সময়ত শ্যামলাৰ পিতৃয়ে জাম্বিয়াত দিনচেৰেক চৰকাৰী উপদেষ্টাৰূপে কাৰ্যনিৰ্বাহ কৰিছিল। ১৯৭০ৰ দশকৰ আগভাগত ড'নাল্ড আৰু শ্যামলাৰ বিবাহ বিচ্ছেদ ঘটাত কমলা আৰু মায়া মাতৃৰ সৈতেই থাকিবলৈ লয়। দুয়ো মাতৃৰ সৈতে বহুবাৰ ভাৰতলৈ আহিছে আৰু ভাৰতৰ বহু ঠাই ভ্ৰমণো কৰিছে।

১৯৬৪ চনৰ ২০ অক্টোবৰত কেলিফ'ৰ্নিয়াৰ অ'কলেণ্ডত জন্মলাভ কৰা কমলাই কেলিফ'ৰ্নিয়াতে শিক্ষা জীৱন আৰম্ভ কৰে। পাছত তেওঁ মাতৃৰ সৈতে কানাডাৰ কুইবেকলৈ যাবলগীয়া হয়। ১৯৮৬ চনত তেওঁ ৱাশ্বিংটন ডি ছিৰ হাৱৰাৰ্ড বিশ্ববিদ্যালয়ৰপৰা ৰাজনীতি আৰু অৰ্থনীতি বিষয়ৰূপে লৈ স্নাতক ডিগ্ৰি লাভ কৰি কেলিফ'ৰ্নিয়া বিশ্ববিদ্যালয়ৰ হেষ্টিংছ আইন মহাবিদ্যালয়ত আইন শিক্ষাৰ বাবে ভৰ্তি হয়। তাৰপৰা ১৯৮৯ চনত আইনৰ শিক্ষা শেষ কৰি তেওঁৰ পাছৰ বছৰৰপৰাই ওকালতি আৰম্ভ কৰে। ওকালতিৰ মাজতে তেওঁ কিছুদিন চৰকাৰী সেৱাও কৰে। পাছত ২০০৪ চনৰপৰা ২০১১ চনলৈকে কমলা হেৰিছে ছান ফ্ৰান্সিস্কোৰ জিলা এটৰ্নিৰূপে আৰু ২০১১ চনৰপৰা ২০১৭ চনলৈকে কেলিফ'ৰ্নিয়াৰ এটৰ্নি জেনেৰেলৰূপে সেৱা আগবঢ়াইছিল। ২০১৬ চনত হেৰিছে ডেম'ক্ৰেট দলৰ প্ৰাৰ্থীৰূপে ছিনেটৰ সদস্য হ'বলৈ মন মেলে। ২০১৬ চনৰ ২০ নৱেম্বৰৰ নিৰ্বাচনত হেৰিছ জয়ী হোৱাৰ লগে লগে তেওঁ ৰাজনৈতিক জীৱনৰ বৃহত্তৰ পৰিসৰত প্ৰৱেশ কৰে। ২০১৪ চনৰ ২২ আগষ্টত তেওঁ অধিবক্তা ডগলাছ এমফেৰ সৈতে বিবাহপাশত আবদ্ধ হয়।

জন্মসূত্ৰেই হেৰিছে পাইছিল এটি মিশ্ৰিত সংস্কৃতি। ভাৰতীয় তামিল ব্ৰাহ্মণ পৰিয়ালৰ পাৰিবাৰিক সংস্কাৰ আৰু পৰম্পৰা তেওঁ মাতৃৰ যোগেদি পাইছিল। আনকি মাকেই তেওঁৰ নামৰ সৈতে দেৱী শব্দটো যোগ দি নাম কমলাদেৱী হেৰিছ ৰাখিছিল। আনহাতে তেওঁ কৃষ্ণাংগ মাৰ্কিন সমাজত ডাঙৰ-দীঘল হৈ সেই সমাজৰ সংস্কৃতিও ভালদৰে আয়ত্ত কৰি ল'ব পাৰিছিল। সম্প্ৰতি আমেৰিকাত এজন কৃষ্ণাংগ লোকক আৰক্ষীয়ে অমানুষিকভাৱে হত্যা কৰাক লৈ উত্তপ্ত হৈ থকা পৰিস্থিতিৰ মাজতে হেৰিছৰ দৰে এগৰাকী কৃষ্ণাংগ মহিলাক ডেম'ক্ৰেটিক দলে উপৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীৰূপে মনোনীত কৰাটো বেচ গুৰুত্বপূৰ্ণ কথা। হেৰিছৰ বাছনিয়ে একেলগে বহুকেইটা বিষয়ৰ সমাধানত ডেম'ক্ৰেটিক দলক সহায় কৰিছে। এপিনে দলটোৱে কৃষ্ণাংগ সমাজখনৰ সমৰ্থন পাব আৰু আনপিনে আমেৰিকাবাসী ভাৰতীয়সকলৰো অকুণ্ঠ সমৰ্থন লাভ কৰিব। অৱশ্যে এয়াও ঠিক যে হেৰিছে ২০১৯ চনতে ৰাষ্ট্ৰপতি পদৰ বাবে ডেম'ক্ৰেটিক দলৰ প্ৰাৰ্থী হ'বলৈ চেষ্টা চলাইছিল।

২০১৯ চনৰ ২১ জানুৱাৰিৰ দিনা অৰ্থাৎ মাৰ্টিন লুথাৰ কিং জুনিয়ৰ দিৱসৰ দিনাই হেৰিছে বাল্টিমোৰ আৰু কেলিফ'ৰ্নিয়াৰ অ'কলেণ্ডত কাৰ্যালয় মুকলি কৰি নিজকে ডেম'ক্ৰেটিক দলৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্বৰ দাবীদাৰ বুলি ঘোষণা কৰিছিল। 'ফৰ দা পিপ'ল' ধ্বনিৰে আৰম্ভ হোৱা হেৰিছৰ প্ৰচাৰ অভিযানে কম সময়তে বেচ জনপ্ৰিয়তা পাইছিল। মাত্ৰ ২৪ ঘণ্টাতে প্ৰায় ৩৮,০০০ লোকে ১৫ লাখ ডলাৰৰো অধিক ধনৰ বৰঙণি তেওঁৰ প্ৰচাৰৰ বাবে আগবঢ়াইছিল। ২৭ জানুৱাৰিত অ'কলেণ্ডৰপৰাই হেৰিছে তেওঁৰ আনুষ্ঠানিক প্ৰচাৰ অভিযান আৰম্ভ কৰে। প্ৰথম তিনিমাহতে তেওঁ প্ৰচাৰৰ যোগেদি ডেম'ক্ৰেটিক দলৰ কেইবাজনো নেতা-নেত্ৰীৰ সমৰ্থন আদায় কৰাৰ উপৰিও বৃহৎ পৰিমাণৰ ধনো সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দ্বিতীয় তিনি মাহত তেওঁ মুখ্যতঃ আমেৰিকাৰ শ্ৰমিকসকলৰ সা-সুবিধা আৰু সমস্যাৱলীক লৈ সৰৱ হৈ পৰে। সেই সময়তে তেওঁ ২০০৪ চনৰপৰা ২০১৮ চনলৈকে আদায় দিয়া কৰৰ সমস্ত তথ্য ৰাজহুৱাকৈ প্ৰকাশ কৰি দলৰ 'অন্যতম স্বচ্ছ প্ৰাৰ্থিত্বৰ দাবীদাৰ' হৈ উঠে। এই সময়ছোৱাত তেওঁ সামাজিক মাধ্যমসমূহত বিয়পোৱা ঘৃণাসূচক মন্তব্য নিয়ন্ত্ৰণৰ বাবে তাৰ ওপৰত চকু ৰখা, গৰ্ভপাতৰ অধিকাৰ, সমতাৰ অধিকাৰ আদিৰ বিষয়ে নিজৰ স্থিতি স্পষ্ট কৰে। প্ৰচাৰ মাধ্যমত আয়োজিত বিতৰ্কত তেওঁ ডেম'ক্ৰেটিক দলৰ বৰ্তমানৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী জো বিডেনকো সমালোচনা